জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০/২০২৩**

<u>উজান বজাৰত যোৰ পুখুৰী উদ্যান উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# ব্ৰহ্মপুত্ৰ নৈ পাৰৰ সৌন্দৰ্যবৰ্দ্ধন প্ৰকল্প আৰু ফাঁচী বজাৰৰ উদ্ভিদ উদ্যান পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উজান বজাৰৰ যোৰ পুখুৰী উদ্যান শুভ উদ্বোধন কৰে। উল্লেখ্য যে, ৰাজ্য চৰকাৰৰ পদক্ষেপত ৩.২৩ কোটি টকা ব্যয় সাপেক্ষে অটল মিছন ফ'ৰ ৰিজুভিনেশ্যন অণ্ড আৰ্বান ট্ৰেন্সফৰ্মেশ্যন (অম্ৰুট)এ এই উদ্যানখন নিৰ্মাণ কৰি উলিয়াইছে। এই উদ্যানখনৰ পথ, পোহৰ, ফোঁৰাৰা, ৰিটেইনিং ৱাল, খহনীয়া সুৰক্ষা দেৱাল, হাঁহৰ বাবে আশ্ৰয়স্থলীকে ধৰি অন্যান্য সুবিধাসমূহ উপলব্ধ হৈছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে ঐতিহাসিকভাৱে সমৃদ্ধ উজানবজাৰৰ যোৰ পুখুৰী অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে অত্যন্ত সুখী বুলি কয়। তেওঁ কয় যে কেইবা শতিকাৰ আগতে স্বৰ্গদেউ শিৱ সিংহই খন্দোৱা এই পুখুৰী গুৱাহাটীৰ অন্যতম ঐতিহ্যমণ্ডিত পৰ্যটনস্থলী। এই উদ্যানখন নিৰ্মাণ কৰি চৰকাৰে ঠাইখিনিৰ গুৰুত্ব আৰু অধিক বৃদ্ধি কৰিলে। তেওঁ লগতে কয় যে উদ্যানখনে দৰ্শনাৰ্থীসকলক এক সুন্দৰ অভিজ্ঞতা প্ৰদান কৰিবলৈ সক্ষম হ'ব। গুৱাহাটী মহানগৰীৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ বাবে মহানগৰীখনৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে একাধিক পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও তেওঁ কয়।

গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভনে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী অশোক সিংহলেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সাংসদ কুইন ওজা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকাও উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটীক স্মাৰ্ট চিটিলৈ ৰূপান্তৰ কৰাৰ অংশ হিচাপে পাণবজাৰৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এই প্ৰকল্পৰ অধীনত আৰক্ষী আয়ুক্তৰ পুৰণি ভৱনক মহাবাহু ব্ৰহ্মপুত্ৰৰ নদী ঐতিহ্য কেন্দ্ৰৰ সৈতে সামৰি লোৱা হৈছে। এই প্ৰকল্পৰ অন্যান্য উপাদানসমূহ হ'ল বৰ্তমানৰ পদুম পুখুৰীৰ এলেকাৰ উন্নয়ন, নদীৰ পাৰৰ সৌন্দৰ্যবৰ্দ্ধন আদি। মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পটো সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে গুণগত মানদণ্ড ৰক্ষা কৰি নিৰ্মাণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ এই কামত নিয়োজিত থকা নিৰ্মাণকাৰী সংস্থাৰ সৈতে কথা পাতে আৰু ভূ-প্ৰকৃতিৰ সমতা ৰক্ষা কৰি ইয়াক আকৰ্ষিত কৰি তুলিবলৈও কয়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে আজি ফাচী বজাৰত নিৰ্মীয়মান উদ্ভিদ উদ্যানখনো পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ প্ৰতিটো কামৰে বুজ লৈ আশা প্ৰকাশ কৰে যে অহা ৬ মাহৰ ভিতৰত এই উদ্যানখন প্ৰথম পৰ্যায়ৰ অংশটি ৰাইজৰ বাবে মুকলি কৰিব পৰা যাব। মুখ্যমন্ত্ৰীয়ে জি এম ডি এক আনুসংগিক সুবিধাসমূহ উপলব্ধ কৰাৰ লগতে বিভিন্ন প্ৰজাতিৰ গছ-বন ৰোপণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনকালত গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা, বিভাগটোৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন আৰু অন্যান্য অংশীদাৰীসকল উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ**
**১৩/১/২০২৩**